মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, SEPTEMBER 14, 2024 ■ শনিবাৰ।। ২৮ ভাদ, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৫৩ Guwahati, Assam ।। মূল্যঃ এটকা

৫ পৃষ্ঠাত
কমলাক্ষৰ বিধায়ক পদ খাৰিজৰ বাবে সাংসদ ৰকিবুলৰ আবেদন

৭ পৃষ্ঠাত
মুখ্যমন্ত্ৰীয়ে সত্য কথা নকয়, সংবিধান নামানে! অভিযোগ দেৱব্ৰতৰ



মুকলি আকাশৰ তলত দুই নেতাৰ মুক্তিৰ আলিংগন... দীৰ্ঘদিনৰ অন্তত একেলগে কেজৰিৱাল-ছিছ'ডিয়া

# হাৰিয়ানাত নিৰ্বাচন, অৱশেষত জেলৰ পৰা ওলাল কেজৰিৱাল

## ‘জেলৰ পৰা ওলাই এতিয়া ১০০ গুণলৈ বৃদ্ধি পালে মোৰ শক্তি!’



**নতুন দিল্লী, ১৩ ছেপ্টেম্বৰঃ** হাৰিয়ানাৰ নিৰ্বাচনৰ ধামখুমিয়াৰ মাজতে বন্দীত্বৰ শিকলি ভাঙি মুকলি আকাশৰ তললৈ ওলাই আহিল দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱাল। ৬ মাহৰ মূৰকত আজি মুকলি আকাশৰ তললৈ ওলাই আহিল আপ নেতাগৰাকী। দেশৰ শীৰ্ষ আদালতে আজি জামিন প্ৰদানৰ পাছতে অৰবিন্দ কেজৰিৱালে মুকলি আকাশৰ তললৈ ওলাই আহে। জেলৰ পৰা ওলাই সমৰ্থকসকলৰ অভিবাদন গ্ৰহণ কৰি তেওঁ ভাষণত কয়, “মোৰ জীৱন শেষাংশ ২ পৃষ্ঠাত

## লকআপত নাই তলা

### উত্তৰ দি তৎ পোৱা নাই ডিজিপিয়ে



**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** চুমি বৰাক ৰখা ডিব্ৰুগড় আৰক্ষী থানাৰ লকআ'পত নিশা তলা লগোৱা নাছিল। সামাজিক মাধ্যমত এখন ফটো ভাইৰেল হোৱাত এই অভিযোগ উত্থাপন শেষাংশ ৩ পৃষ্ঠাত

### নীতিশ-নাইডুক হিমন্ত বিশ্বৰ বিৰুদ্ধে দিব অভিযোগ

**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** সোণাপুৰৰ কচুতলিৰ উচ্ছেদৰ সময়ত সংঘটিত ঘটনাৰ পাছতে কেইবাটাও সংখ্যালঘু সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ শেষাংশ ৩ পৃষ্ঠাত

## বিপদত আদানি

### ২৬ হাজাৰ কোটি পানীত

**নিউয়ৰ্ক, ১৩ ছেপ্টেম্বৰঃ** ৩১০ মিলিয়ন ডলাৰসহ ছুইছ বেংকে জব্দ কৰিলে গৌতম আদানীৰ কেইবাটাও বেংক একাউন্ট। আগশাৰীৰ শেষাংশ ৩ পৃষ্ঠাত

### হিমন্ত বুকুৰ কুটুম, নাম নাই সোণোৱালৰ!

**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** বিজেপিত প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ক্ৰমে এলাগী হৈ আহিছে নেকি? এই প্ৰশ্ন সময়ে সময়ে উত্থাপন হৈ আহিছে। এই প্ৰশ্ন শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাৰিয়ানাত নিৰ্বাচন, অৱশেষত

দেশৰ প্ৰতি উৎসৰ্গিত। মোৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত, প্ৰতিটোপাল তেজ এই দেশৰ প্ৰতি উৎসৰ্গিত। জীৱনত মই বহু সংগ্ৰাম দেখিছো, বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'লো। কিন্তু ভগৱানে মোক প্ৰতিটো খোজতে সহায় কৰি আহিছে, কাৰণ মই সত্য আৰু সৎ পথত আছো।'' প্ৰতিকুল বতৰকো নেওচি বৈ থকা সমৰ্থকসকলক উদ্দেশ্য তেওঁ আৰু কয়, ‘‘মোৰ মুক্তিৰ বাবে প্ৰাৰ্থনা কৰাসকলক ধন্যবাদ জনাইছো। বৰষুণৰ মাজতে আপোনালোক ইয়ালৈ আহিছো। মোৰ মনোবল ভাঙিবলৈ জে'লত ভৰাই থ'লে, কিন্তু মোৰ মনোবল আগতকৈ বেছিহে হৈছো। কাৰাগাৰৰ দেৱালে মোক দুৰ্বল কৰিব নোৱাৰে। দেশক দুৰ্বল কৰি তোলা শক্তিৰ বিৰুদ্ধে মই যুঁজি যামা।'' ভাষণত বিজেপিকো আক্ৰমণৰ লক্ষ্য কৰি লয় কেজৰিৱালে। তেওঁ কয়, "তেওঁলোকে মোক জে'লত ভৰাই দিলে, তেওঁলোকে ভাবিছিল যে কেজৰিৱালক কাৰাগাৰত ৰাখিলে মনোবল ভাগিব। আজি মই আপোনালোকক ক'বলৈ বিচাৰিছো যে মই জে'লৰ পৰা ওলাই আহিছো, মোৰ মনোবল ১০০ গুণ বৃদ্ধিহে হৈছো।'' উল্লেখ্য যে, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সূৰ্য কান্ত আৰু উজ্জ্বল ভূঞাৰ বিচাৰপীঠে ৫ ছেপ্টেম্বৰৰ পৰা সংৰক্ষিত ৰাখিছিল। কিছু চৰ্ত আৰু ১০ লাখ টকাৰ ব্যক্তিগত বণ্ডত জামিন প্ৰদান কৰিছে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে তেওঁৰ গ্ৰেপ্তাৰক প্ৰত্যাহ্বান জনাই আৰু দিল্লী সুৰা নীতি কেলেংকাৰীৰ অভিযোগত চিবিআইৰ দ্বাৰা পঞ্জীয়ন কৰা গোচৰত জামিন বিচাৰি দাখিল কৰা আবেদনৰ ৰায় আদালতে ঘোষণা কৰে। জামিন প্ৰদানৰ খবৰ ৰাষ্ট্ৰ হোৱাৰ পাছতে আপৰ নেতা-কৰ্মী উৎফুল্লিত হয়। ফটকা ফুটাই উল্লাস কৰা দেখা যায়। দিল্লী সুৰা নীতিৰ গোচৰত চিবিআইৰ এজাহাৰৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে আজি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক জামিন প্ৰদান কৰে। ৰায় প্ৰদানৰ সময়ত ন্যায়াধীশ সূৰ্য কান্ত আৰু উজ্জ্বল ভূঞাৰ চিবিআইক তীব্ৰ সমালোচনা কৰা দেখা যায়। চিবিআইৰ গ্ৰেপ্তাৰ বেআইনী আছিল বুলি কয়। ন্যায়াধীশ কান্তে কয় যে কেজৰিৱালক গ্ৰেপ্তাৰ আইনী প্ৰক্ৰিয়াৰ মাজেৰে কৰা হোৱা নাছিল। চিবিআইয়ে গ্ৰেপ্তাৰ কৰাৰ সময়ত ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ৪১ৰ আদেশ পালন কৰাত ব্যৰ্থ হৈছে। ন্যায়াধীশ কান্ত আৰু ন্যায়াধীশ ভূঞাই কেজৰিৱালক গ্ৰেপ্তাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে ভিন্ন মত দিয়ে। ন্যায়াধীশ ভূঞাই কৈছিল যে চিবিআইৰ দ্বাৰা গ্ৰেপ্তাৰ কেৱল কেজৰিৱালক ধন ৰপ্তানিৰ গোচৰত দিয়া জামিন বিফল কৰিবলৈহে কৰা আছিল। ন্যায়াধীশ ভূঞাই কৈছিল যে চিবিআইয়ে কেজৰিৱালক ২২ মাহ ধৰি গ্ৰেপ্তাৰ কৰা নাছিল আৰু কিন্তু ইডিৰ গোচৰত মুক্তি পোৱাৰ সময়ত কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। আদালতে কয় যে ইডি গোচৰত নিয়মীয়া জামিন দিয়াৰ পিছতহে চিবিআই সক্ৰিয় হৈছিল। চিবিআয়ে ২২ মাহৰো অধিক সময় ধৰি গ্ৰেপ্তাৰ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল। এনে ধৰণৰ কাৰ্যই গ্ৰেপ্তাৰৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে। চিবিআইৰ গ্ৰেপ্তাৰৰ সক্ৰিয়তাক বুজি পোৱাত ব্যৰ্থ হৈছো। যেতিয়া ইডি কেছত মুক্তি লাভ কৰিছিল। তাৰ পাছত গ্ৰেপ্তাৰ কৰাটো অযৌক্তিক বুলিও কয় ন্যায়াধীশ ভূঞাই। উল্লেখ্য যে, ইডিৰ গোচৰত অন্তৰ্ৱৰ্তীকালীন জামিন প্ৰদানৰ সময়ত অৰবিনেদ কেজৰিৱালক বিচাৰপীঠে বান্ধি দিয়া একেই চৰ্ত প্ৰযোজ্য হ'ব চিবিআইৰ গোচৰত। ইয়াৰ অৰ্থ হ'ব এয়াই যে কেজৰিৱালে মুখ্যমন্ত্ৰীৰ আৰু দিল্লী সচিবালয়ৰ কাৰ্যালয়লৈ যাব নোৱাৰে। অভিযোগ মতে, দিল্লীৰ আবকাৰী নীতিত কেজৰিৱাল আৰু আপ চৰকাৰে পাইকাৰী অনুজ্ঞাপত্ৰ আৱণ্টনৰ বাবে দক্ষিণৰ ডিষ্ট্ৰিবিউটিৰৰ পৰা ১০০ কোটি ঘোচ লৈছিল। ইডি আৰু চিবিআইয়ে দাবী কৰিছিল যে ধন লৈ আপে নিৰ্বাচনী প্ৰচাৰৰ বাবে পুঁজি একত্ৰিত কৰিছিল। ২০২২ চনৰ গোৱা বিধানসভা নিৰ্বাচনত খৰছ কৰিছিল। কেজৰিৱালে বিতৰ্কিত ২০২১ চনৰ নীতিৰ খচৰা প্ৰস্তুত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলি দাবী কৰি আহিছিল বিজেপিয়ে। যি নীতিক ৮ মাহ পিছত প্ৰত্যাহাৰ কৰা হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বুকুৰ কুটুম, নাম নাই

পুনৰ অৱতাৰণা হ'ব ধৰিছো। কিয়নো অসম বিজেপিৰ দুগৰাকী প্ৰভাৱশালী নেতা হৈছে সৰ্বানন্দ সোণোৱাল আৰু ডঃ হিমন্ত বিশ্ব শৰ্মা। ২০১৫ চনত বিজেপিত যোগদান কৰা হিমন্ত বিশ্ব শৰ্মাক ২০২১ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ কেন্দ্ৰীয় সমিতিয়ে গুৰুত্ব দি সৰ্বানন্দ সোণোৱালক এলাগী কৰাৰ কথা স্পষ্ট হৈছিল। নিৰ্বাচন সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত প্ৰতিদ্বন্দ্বিতা কৰি অৱশেষত হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী কৰা হৈছিল। তাৰ পাছৰে পৰা অসমত বিজেপিৰ ন-পুৰণি ফৈদ আৰম্ভ হৈছিল। নলবাৰীৰ প্ৰাক্তন বিধায়ক তথা বিজেপিৰ জ্যেষ্ঠ নেতা অশোক শৰ্মাৰ দৰে নেতাই দল এৰিবলগীয়া হয়। সময়ে সময়ে একাংশ নেতাই বিজেপিৰ ভিতৰচৰাত কংগ্ৰেছৰ পৰা অহা নেতাই অগ্ৰাধিকাৰ পোৱাৰ কথা কৈ বিষোদগাৰ কৰা দেখা যায়। তাৰ মাজতে আন এটা বিষয়ে খুব চৰ্চা লাভ কৰিছো। সেয়া হৈছে হাৰিয়ানাৰ নিৰ্বাচনক লৈ বিজেপিয়ে প্ৰকাশ কাৰ ষ্টাৰ কেম্পেইনাৰৰ তালিকা। হাৰিয়ানাৰ নিৰ্বাচনত প্ৰচাৰ কৰিবলৈ বিজেপিয়ে প্ৰকাশ কৰা তালিকাত নাই সৰ্বানন্দ সোণোৱালৰ নাম। কিন্তু ষ্টাৰ কেম্পেইনাৰৰ তালিকাত আগস্থান দিয়া হৈছে হিমন্ত বিশ্ব শৰ্মাক। একেখন ৰাজ্যৰ দুগৰাকীৰ নেতাৰ ভিতৰত এজনক যোগ্যস্থান আৰু এজনক এলাগী কৰা হৈছে নেকি? তাকে লৈ সামাজিক মাধ্যমত চৰ্চা হোৱা দেখা গৈছে। উল্লেখ্য যে, অসমৰ ৰাজনীতিতো সৰ্বানন্দ সোণোৱালৰ সক্ৰিয়তা ক্ৰমে কমি আহিছে। সৰ্বানন্দ সোণোৱালপন্থীৰ বিধায়ক তথা নেতা বুলি সৰ্বজনবিদিত বিধায়কক মন্ত্ৰিত্ব নিদিয়াৰ লগতে নিকায়-নিগম আদিতো অধ্যক্ষ-উপাধ্যক্ষৰ পদ দিয়া হোৱা নাই। মাজুলীৰ দলঙৰ আধাৰশিলা স্থাপন তথা আন বিভিন্ন অনুষ্ঠানত সৰ্বানন্দ সোণোৱালক উপস্থিত থকা দেখা পোৱা হোৱা নাই। আনহে নালাগে কিছুদিনপূৰ্বে বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত হোৱা সদস্য ভৰ্তি কাৰ্যসূচীতো কেৱল হিমন্ত বিশ্ব শৰ্মাহে উপস্থিত আছিল। এনে পৰিপ্ৰেক্ষিতত হাৰিয়ানাৰ নিৰ্বাচনী প্ৰচাৰত সৰ্বাৰ নাম নথকাটো চৰ্চিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৬ হাজাৰ কোটি পানীত পৰিল

ছুইছ সংবাদ প্ৰতিষ্ঠান গথাম চিটিৰ উদ্ধৃতি প্ৰদান কৰি এই তথ্য প্ৰকাশ কৰিছে আমেৰিকাৰ হিণ্ডেনবাৰ্গ নামৰ ৰিছাৰ্চ প্ৰতিষ্ঠানটোৱে। প্ৰতিবেদন অনুসৰি, আদানী গোষ্ঠীৰ সৈতে সম্পৰ্কিত কেইবাটাও বেংক একাউণ্ট জব্দ কৰা হৈছে। এই বেংক একাউণ্ট কেইটাত জমা থকা ধনৰ পৰিমাণ আছিল ৩১০ মিলিয়ন ডলাৰ। ভাৰতীয় মুদ্ৰাৰ হিচাপত এই ধনৰ পৰিমাণ ২৬০০০ কোটি টকা। এই বিশাল ধনৰাশি ছুইজাৰলেণ্ডৰ মুঠ ৬টা বেংক একাউণ্টত জমা আছিল বুলিও দাবী কৰিছে হিণ্ডেনবাৰ্গে।কিন্তু ইয়াৰ বিপৰীতে আদানী গ্ৰুপে জনাইছে ছুইছজাৰলেণ্ডৰ কোনো বেংকত তেওঁলোকৰ প্ৰতিষ্ঠানৰ একাউণ্ট নাই। হিণ্ডেনবাৰ্গে যি প্ৰতিবেদন প্ৰকাশ কৰিছে সেয়া অসত্য আৰু উদ্দেশ্যপ্ৰণোদিত বুলিও দাবী আদানী গ্ৰুপৰ। হিণ্ডেনবাৰ্গৰ প্ৰতিবেদন অনুসৰি, ২০২১ চনত বেআইনীভাৱে শ্বেয়াৰ আৰু অৰ্থনৈতিক লেনেদেন সংক্ৰান্তীয় এক গোচৰ ৰুজু হৈছিল। এই গোচৰৰ তদন্তৰ পাছতেই এই পদক্ষেপ গ্ৰহণ কৰিছে ছুইজাৰলেণ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষই। অভিযোগ উঠিছিল গৌতম আদানীৰ মালিকানাধীন কোম্পানীৰ সৈতে জড়িত এগৰাকী নাগৰিকে ব্ৰিটিছ ভাৰ্জিন আইলেণ্ডছ, মৰিছাচ আৰু বাৰমুডাৰ বিত্তীয় প্ৰতিষ্ঠানত পুঁজি বিনিয়োগ কৰিছিল। সেই কোম্পানীসমূহে আকৌ আদানী গ্ৰুপত সম্পূৰ্ণ পুঁজি বিনিয়োগ কৰিছিল। সেয়ে সেই ব্যক্তিজনৰ একাউণ্ট ফ্ৰীজ কৰাৰ লগতে আদানী গ্ৰুপৰ মুঠ ৬ টা একাউণ্ট ফ্ৰীজ কৰি তাৰ ধন বাজেয়াপ্ত কৰিছে বুলি দাবী কৰিছে হিণ্ডেনবাৰ্গে। উল্লেখ্য যে আদানিৰ বিত্তীয় অনিয়মক লৈ শেহতীয়াকৈ সৰৱ হৈ আহিছিল হিণ্ডেনবাৰ্গ। অৱশ্যে আদানিয়ে বাৰম্বাৰ অভিযোগ খণ্ডন কৰি আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ দি তৎ পোৱা নাই ডিজিপিয়ে

হৈছে। চুমি বৰা লকআ'পৰ ভিতৰত থিয় হৈ আছে। লকআ'পৰ তলা লগোৱা হুকত তলা ওলমি নাছিল। তেনেদৰে চুমি বৰাৰ স্বামী তাৰ্কিক বৰাক ৰখা লকআ'পৰ হুকত তলা নাছিল। ফটো ৰাজহুৱা হোৱাৰ পাছতে সামাজিক মাধ্যমত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত স্পষ্টিকৰণ দিবলৈ বাধ্য হয় অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিং। জি.পি সিঙে এখন ফটো শ্বেয়াৰ কৰি তলা লগোৱা বুলি দাবী কৰিছে। সিঙে ফটোখনৰ কেপচনত কয় ''এই লকআ'পবোৰ সুৰক্ষিত কৰিবলৈ অলপ বেলেগ লকিং মেকানিজম আছে। তলা আদি হাতৰ পৰা আঁতৰত অৱস্থিত।'' আনহাতে, এজন এক্স ব্যৱহাৰকাৰীয়ে ফটো পোষ্ট কৰি ডিজিপি সিঙক প্ৰশ্ন কৰি কৈছিল কিয় লকআ'পত তলা নাই। তেতিয়া সিঙে উত্তৰ দি কৈছিল '' অনুগ্ৰহ কৰি এ.আই. আৰু উচ্চস্তৰৰ সম্পাদনাৰ যুগত কৰ্তৃত্বপ্ৰাপ্ত প্লেটফৰ্মৰ বাহিৰে কোনো প্লেটফৰ্মৰ দ্বাৰা প্ৰচাৰিত সমলক বিশ্বাস নকৰিব।'' ডিজিপি সিঙে প্ৰচাৰ কৰা ফটোখনত লকআ'পৰ দুৱাৰৰ কিছু নিলগত তলা লগাই থোৱা আছে। দেৱালৰ এটা অংশ আৰু লকআ'পৰ দুৱাৰলৈকে এডাল লোৰ মাৰি লাগি আছে এটা মূৰত তলা লগাই থোৱা আছে। অসমৰ অনলাইন ট্ৰেডিং কেলেংকাৰী অভিযুক্ত চুমি বৰাক থানাৰ লকআ'পত তলা নলগোৱাকৈ ৰখাৰ ফটো শ্বেয়াৰ হৈছিল। ১২ ছেপ্টেম্বৰত চুমি বৰা আৰু স্বামী তৰ্কিক বৰাক ডিব্ৰুগড়ত নাটকীয়ভাৱে গ্ৰেপ্তাৰ কৰা হৈছিল। ১০ দিনে পলাতক দম্পতীহালক আত্মসমৰ্পণৰ পৰিকল্পনাৰ সময়তে বিশেষ টাস্ক ফ'ৰ্চে (এছটিএফ) ডিব্ৰুগড়ত গ্ৰেপ্তাৰ কৰিছিল। ডিব্ৰুগড় আৰক্ষী থানালৈ অনাৰ আগতে পুৱা জিমখানা ক্লাৱত ৰখা হৈছিল। উল্লেখ্য যে বিগত কিছুদিন ধৰি সমগ্ৰ ৰাজ্যতে চুমিক লৈ অব্যাহত আছে চৰ্চা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নীতিশ-নাইডুক হিমন্ত বিশ্বৰ

কৰিছে। কচুতলিত উচ্ছেদৰ সময়ত উত্তেজিত লোকক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে গুলীচালনা কৰাত দুজন লোক নিহত হয়। তাৰ পাছতে কেইবাটাও সংখ্যালঘূ সংগঠনে ঘটনাক নিন্দা কৰি এয়া অমানৱীয় বুলি অভিোগ আনিছে। এনে উচ্ছেদ বন্ধ কৰিবলৈ দাবী উত্থাপন কৰিছে। তাৰ মাজতে এটা সংখ্যালঘূ সংগঠনে বিজেপিৰ সৈতে লগলাগি চৰকাৰ চলাই তথা দুটা ৰাজনৈকিত দলৰ মুৰব্বীক সাক্ষাৎ কৰি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিব বুলি দাবী কৰিছে। এনডিএৰ সহযোগী দল বিহাৰৰ জনতা দল ইউনাইটেডৰ মুৰব্বী নীতিশ কুমাৰ আৰু অন্ধ্ৰপ্ৰদেশৰ তেলেগু দেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুক সাক্ষাৎ কৰিব বুলি স্পষ্ট কৰিছে। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুক সাক্ষাৎ কৰি অসমৰ পৰিস্থিতিৰ কথা অৱগত কৰিব বুলি কয়। বিশেষকৈ সোণাপুৰৰ কচুতলিৰ উচ্ছেদৰ সময়ত আৰক্ষীৰ গুলীত দুজন লোক নিহত হোৱাৰ পাছতে নীতিশ আৰু চন্দ্ৰবাবুক সাক্ষাৎ কৰাৰ সিদ্ধান্ত লয় সংখ্যালঘু সংগ্ৰাম পৰিষদে। সংখ্যালঘু সংগ্ৰাম পৰিষদে অসমত মুছলমানৰ সৈতে ঘটি থকা কেইবাটাও বিষয় নীতিশ কুমাৰ আৰু চন্দ্ৰবাবু নাইডুক অভিযোগ আকাৰে দাখিল কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, লোকসভা নিৰ্বাচনৰ পাছৰে পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা বিশেষ জনগোষ্ঠীৰ লোকৰ বিৰুদ্ধে তীৰ্যক মন্তব্য প্ৰদান কৰি আহিছে। গুৱাহাটীৰ বানৰ বাবে বিশেষ সম্প্ৰদায়ৰ লোকক আক্ৰমণৰ লক্ষ্য কৰি লয়। মুঠতে মুখ্যমন্ত্ৰীয়ে প্ৰতিটো কথাতে বিশেষ সম্প্ৰদায়ৰ সাঙুৰি সাম্প্ৰদায়িক মন্তব্য প্ৰদান কৰি আহিছে। আনকি অসম বিধানসভাতো মুখ্যমন্ত্ৰীগৰাকীয়ে মুকলিকৈ এটা বিশেষ সম্প্ৰদায়ক টাৰ্গেট কৰি লোৱাৰ অভিযোগো উত্থাপন হৈ আহিছিল। মুখ্যমন্ত্ৰীগৰাকীৰ এনে ধাৰাবাহিক সাম্প্ৰদায়িক মন্তব্যৰ বিৰুদ্ধে দিনদিয়েকপূৰ্বে চৰাইদেউত অনুষ্ঠিত বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে গৰিহণাসূচক প্ৰস্তাৱ গ্ৰহণ কৰাও পৰিলক্ষিত হৈছিল। ইমানৰ পিছতো মুখ্যমন্ত্ৰীগৰাকীয়ে তেনে মন্তব্য কৰি অহাটোৱে চৰ্চা লাভ কৰিছে।

## উজনিত কংগ্ৰেছ!

# লোকসভাৰ পৰা ছাত্ৰ একতা সভালৈ দপদপনি




**ই-সংবাদ, ডিব্ৰুগড়, ১৩ ছেপ্টেম্বৰঃ** বহু শক্তিশালী বিজেপিৰ ভৰিৰ তলৰ মাটি নোহোৱা হৈছে উজনি অসমত। কেন্দ্ৰ তথা ৰাজ্যৰ শাসনত থকা দলটোৱে উজনি অসমৰ যোৰহাট সংসদীয় সমষ্টিত পৰাজিত হোৱাৰ পাছৰে পৰা উজনি অসমত ভেটি শক্তিশালী কৰিবলৈ যৎপৰনাস্তি প্ৰয়াস কৰি আছে যদিও বিজেপি সফল হ'ব পৰা নাই। তাৰ প্ৰমাণ পোৱা গ'ল এদিন পূৰ্বে ঘোষণা কৰা এখন কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত। নাজিৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত কংগ্ৰেছৰ ভাতৃ সংগঠন এনএছইউআয়ে ঐতিহাসিক বিজয় লাভ কৰে। ১২ খন আসনৰ ভিতৰত এনএছইউআয়ে সাধাৰণ সম্পাদককে ধৰি ১০ আসনত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয়। লোকসভা নিৰ্বাচনত যোৰহাট সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকীক জয়ী কৰিবলৈ মুখ্যমন্ত্ৰী, মন্ত্ৰীসহ বিজেপিৰ সকলো নেতা উবুৰি খাই পৰিছিল। কিন্তু যোৰহাট সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈ জয়ী হয়। যোৰহাট সংসদীয় সমষ্টিৰ পৰা আৰম্ভ কৰি ছাত্ৰ একতা সভাৰ নিৰ্বাচনলৈ উজনিত কংগ্ৰেছৰ দপদপনি অব্যাহত আছে। ২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছৰ বাবে এয়া শুভ সংকেত। ২৪ৰ লোকসভা নিৰ্বাচনৰ পাছৰে পৰা উজনি অসমত কংগ্ৰেছৰ ভেটি শক্তিশালী হোৱাত কংগ্ৰেছৰ নেতা-কৰ্মী উৎফুল্লিত হৈছে। ইপিনে নাজিৰা কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত এনএছইউআইৰ প্ৰাৰ্থী জয়ী হোৱাত শুভেচ্ছা জ্ঞাপন কৰিছে নাজিৰাৰ বিধায়ক তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। দেৱব্ৰত শইকীয়াই কয় "নাজিৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত এনএছইউআইৰ বিজয়ৰ খবৰটো পাই খুবেই আনন্দিত অনুভৱ কৰিছো। এই বিজয়ে আমাৰ প্ৰাৰ্থীসকলৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে আমাৰ ওপৰত ৰখা আস্থাকো প্ৰতিফলিত কৰিলে। যোৱা ১০ ছেপ্টেম্বৰত নাজিৰা ৰাজীৱ ভৱনত প্ৰতিগৰাকী প্ৰত্যাশী আৰু নএছইউআইৰ বিষয়-ববীয়াসকলৰ সৈতে বাৰ্তালাপ কৰিছিলো। ছাত্ৰ কল্যাণৰ প্ৰতি তেওঁলোকৰ আবেগ আৰু দায়বদ্ধতা সঁচাকৈয়ে প্ৰেৰণাদায়ক আছিল। এই ঐতিহাসিক বিজয়ৰ বাবে প্ৰতিগৰাকী বিজয়ী প্ৰাৰ্থী তথা এই বিজয়ৰ সৈতে জড়িত সকলোকে মোৰ তৰফৰ পৰা অশেষ অভিনন্দন ও শুভেচ্ছা যাচিছো। ছাত্ৰ-ছাত্ৰীৰ মঙ্গলৰ হকে এক শক্তিশালী কণ্ঠৰে ঐক্যবদ্ধভাৱে সকলোৱে আগবাঢ়ি যাব বুলি মোৰ দৃঢ় বিশ্বাস।"

# সুস্বাদু খাদ্য,জিমখানাত আশ্ৰয়, চুমি-তাৰ্কিক ৰাজ্য চৰকাৰৰ আলহী নেকি?

## তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** ট্ৰেডিং কেলেংকাৰিৰ জড়িত মুখ্য অভিযুক্তৰ সহযোগী বুলি চৰ্চিত চুমি-তাৰ্কিকক গ্ৰেপ্তাৰৰ পাছৰে পৰা অসম আৰক্ষীৰ ভূমিকাই অসমবাসীক সোচ্ছাৰ কৰিছে। জনগণৰ লুণ্ঠনৰ সৈতে জড়িত মুখ্য অভিযুক্তক কিয় ৰাজ আতিথ্য দিয়া হৈছিল তাকে লৈ ৰহস্যৰ সৃষ্টি হৈছে। কোনো অভিযুক্তক নিশাৰ অন্ধকাৰত এনকাউণ্টাৰ কৰি ঘূণীয়া কৰা হয়। কিন্তু কাৰোবাক ৰাজ আতিথ্য দিয়া হয় কিয় তাকে লৈ ৰহস্যৰ সৃষ্টি হৈছে। চুমি বৰা আৰু তাৰ্কিক বৰাক ৰাজ আতিথ্য দিয়াৰ খবৰ পোহৰলৈ অহাৰ পাছৰে পৰা প্ৰকৃততে অসম আৰক্ষীয়ে প্ৰভাৱশালী অভিযুক্তক ৰাজ আতিথ্য দি আহিছে নেকি তাকে লৈ প্ৰশ্ন উত্থাপন হ'ব ধৰিছে। সম্প্ৰতি চুমি আৰু তাৰ্কিক ডিব্ৰুগড় সদৰ আৰক্ষী থানাৰ লক-আপত। অভিযোগ মতে, অভিযুক্ত প্ৰভাৱশালী হোৱাৰ স্বাৰ্থতে আৰক্ষীয়ে ৰাজ্য আতিথ্য দি আৰক্ষী থানাৰ পৰিৱৰ্তে জিমখানালৈ নিছিল চুমি তাৰ্কিকক, জিমখানাত নিশা আশ্ৰয় ল'বলৈ দিছিল। সুস্বাদু খাদ্য, টিভি চেনেলত সাক্ষাৎ দিবলৈ ব্যৱস্থা কৰি দিয়াৰ অভিযোগ উত্থাপন হৈছে। আনকি আৰক্ষী থানাৰ ল'কআপত তলা নলগোৱাৰ লগতে লকআ'প পৰিস্কাৰ কৰি নতুন কাপোৰৰ ব্যৱস্থা কৰি দিছিল বুলি অভিযোগ উত্থাপন হৈছে। ছলনাময়ী চুমি বৰাৰ বাবে ডিব্ৰুগড় থানাত চাফাই অভিযান চলিছিল। যাতে পুৰণি কাপোৰৰ দুৰ্গন্ধ নাপায়। যাতে চুমিয়ে কোনো কাৰণত নিশা কটোৱাত কষ্ট অনুভৱ নকৰে। কিন্তু অইন কয়দীৰ ক্ষেত্ৰত তেনে কৰা নহয়। চুমিক এনে আতিথ্য দিয়াৰ অন্তৰালত কি আছে সেয়া জানিব খোজে অসমবাসীয়ে। অসম আৰক্ষীয়ে বিষয়টো তদন্ত কৰি প্ৰকৃততে ৰহস্য উদঘাটন কৰিব লাগে। যদি এই অভিযোগ সঁচাকৈয়ে সত্য তেন্তে 'খেনোক দেখি ৰন্ধা-বঢ়া, খেনোক দেখি দুৱাৰ মৰা নীতি' লৈছে অসম আৰক্ষীয়ে। নিশা চুমি আৰু তাৰ্কিক গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড়ৰ জীমখানা ক্লাৱলৈ নিয়া হৈছিল। তাৰ আশ্ৰয় ল'বলৈ দি নিশা কটাবলৈ সকলো ব্যৱস্থা কৰি দিছিল আৰক্ষীয়ে। আৰক্ষীৰ এটা দলে চুমি-তাৰ্কিকক জীমখানা ক্লাৱলৈ নিয়াৰ কথা স্পষ্ট হৈছিল। নিউজ চেনেলত সাক্ষাৎকাৰ দিছিল। যেতিয়া বিষয়টোক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় তেতিয়াই লক-আপৰ ভিতৰত চুমি থিয় হৈ থকা এখন ফটো সামাজিক মাধ্যমত ভাইৰেল কৰা হয়। তাৰ দ্বাৰা ইয়াকে প্ৰমাণ কৰিব খোজা হয় যে অইন কয়দীৰ দৰেই চুমিক থানাৰ লকআ'পত ৰখা হৈছে। ৰাজ্যজুৰি চুমি-তাৰ্কিকৰ ৰাজ আতিথ্যৰ বিষয়টোৱে তীব্ৰ বিতৰ্কৰ সূচনা হোৱাত অসমৰ মুখ্যমন্ত্ৰী তথা গৃহ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। হিমন্ত বিশ্ব শৰ্মাই কয় যে চুমি-তাৰ্কিকক গ্ৰেপ্তাৰ কৰি থানালৈ আনিব লাগিছিল। জীমখানা ক্লাৱলৈ লৈ যোৱাটো যুক্তিসংগত নহয়। অপৰাধীক কিয় জীমখানা ক্লাৱলৈ লৈ যোৱা হ'ল, তাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। লগতে চুমিয়ে নিউজ চেনেলত সাক্ষাৎকাৰ দিয়া বিষয়টোক লৈও প্ৰতিক্ৰিয়া দি কয় যে আৰক্ষীয়ে সাক্ষাৎকাৰ ল'ব দিয়া কথাটো ভাল হোৱা নাই। আৰক্ষী আৰু সাংবাদিকৰ কি সম্পৰ্ক আছে তাকে লৈ সন্দিহান হৈছে মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰীয়ে কয় যে ডিজিপিৰ সৈতে মোৰ আলোচনা হৈছে। বিগত কেইটামান দিন ধৰি ট্ৰেডিঙৰ নামত লুণ্ঠনক লৈ বহু কথা চৰ্চা হৈ আহিছে। বিশাল ফুকন নামৰ প্ৰৱঞ্চকজনক গ্ৰেপ্তাৰৰ পাছতে চুমি বৰা আৰু তাৰ্কিকৰ কথা পোহৰলৈ আহে। বিশালৰ টকাৰে চুমি বৰাই কেইবা কোটি টকা খৰছ কৰি ৰাজস্থানৰ উদয়পুৰত বিয়া পতাৰ লগতে কাপোৰ, গাড়ী, বিদেশ ভ্ৰমণ আদি কৰাৰ নামত কোটি কোটি টকা খৰছ কৰাৰ অভিযোগ উত্থাপন হৈছিল। মিডিয়াত খবৰটোৱে খুব চৰ্চা লাভ কৰাত গুৱাহাটী আৰক্ষীয়ে চুমি আৰু তাৰ্কিকক বিচাৰিবলৈ আৰম্ভ কৰে। গুৱাহাটীৰ ফ্লেটত অভিযান চলোৱাৰ পূৰ্বেই দুয়োজনে পলায়ন কৰিছিল। তাৰ এটা সপ্তাহৰ অন্তত চুমি আৰু তাৰ্কিকে ডিব্ৰুগড়ত ধৰা দিয়ে। আৰক্ষীৰ মতে গ্ৰেপ্তাৰ কৰা হৈছে। আনহাতে, একাংশই আত্মসমৰ্পণ কৰিছে।




তলা আছিল নে নাছিল? ডিজিপিয়ে টুইট কৰা বিশেষ ফটোখন, ইনছেটত ভাইৰেল হোৱা তলাবিহীন লকআপৰ ফটো

## বিধানসভাৰ অধ্যক্ষক অচিৰেই ব্যৱস্থা গ্ৰহণৰ আহ্বান

# নিলম্বিত কমলাক্ষৰ বিধায়ক পদ খাৰিজৰ বাবে আবেদন ৰকিবুলৰ

**গুৱাহাটী, ১৩ ছেপ্টেম্বৰঃ** কংগ্ৰেছৰ নিলম্বিত বিধায়ক কমলাক্ষ দে পুৰকায়স্থৰ বিধায়ক পদ খাৰিজ কৰিবলৈ আজি বিধানসভাৰ অধ্যক্ষৰ ওচৰত আবেদন দাখিল কৰে ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে। কংগ্ৰেছ দলৰ আন এগৰাকী নিলম্বিত বিধায়ক শ্বেৰমান আলীয়ে যিদৰে লোকসভা নিৰ্বাচনত দলৰ বিৰুদ্ধে কাম কৰিছিল ঠিক একেধৰণে কমলাক্ষ দে পুৰকায়স্থয়ো দল বিৰোধী কাম-কাজত লিপ্ত হৈছিল। নিলম্বিত বিধায়কজনে সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ বিৰুদ্ধে প্ৰচাৰ চলাইছিল। শেহতীয়া কাম-কাজেৰেও তেওঁ যে দলবিৰোধী কাম-কাজত জড়িত সেয়া স্পষ্টকৈ প্ৰমাণ কৰি দিছে। দলবিৰোধী কাম-কাজত জড়িত হোৱাতো স্পষ্ট হৈ পৰালৈ চাই নিয়ম অনুযায়ী তেওঁৰ বিধায়ক পদ খাৰিজ হ'ব লাগিছিল। কিন্তু এই পৰ্যন্ত বিধানসভাৰ অধ্যক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাত আজি সাংসদ ৰকিবুল হুছেইনে নথি-পত্ৰসহকাৰে বিধানসভাত এই তথ্য দাখিল কৰে। নথি-পত্ৰ দাখিল কৰি প্ৰাক্তন বিধায়ক তথা বৰ্তমান ধুবুৰী লোকসভা সমষ্টিৰ সাংসদগৰাকীয়ে শীঘ্ৰে নিলম্বিত বিধায়কগৰাকীৰ পদ খাৰিজ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে এক শুনানি গ্ৰহণ কৰি কি কাৰণে শ্বেৰমান আলীৰ বিধায়ক খাৰিজ কৰা নাই সেই বিধানসভাৰ অধ্যক্ষ, বিধানসভাৰ প্ৰধান সচিব, বিধানসভাৰ সচিব আৰু শ্বেৰমান আলী আহমেদলৈ জাননী জাৰি কৰাৰ লগতে শপতনামা দাখিল কৰিবলৈকো আদালতে নিৰ্দেশ দিছিল।



আপোনজনৰ সান্নিধ্যঃ জামিনত মুক্তি পোৱাৰ পাছত এনেদৰেই কেজৰিৱালক আদৰিলে পিতৃ-মাতৃয়ে

# শীঘ্ৰে মুকলি হ'ব খানাপাৰাৰ পাঁচ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহ

**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** ইউএছটিএমক প্ৰত্যাহ্বান জনাই মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত খানাপাৰাত নিৰ্মাণ হৈ থকা ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহৰ নিৰ্মাণৰ কাম দ্ৰুত গতিত চলি আছে। কম সময়ৰ ভিতৰতে উক্ত প্ৰেক্ষাগৃহ অসমবাসীৰ বাবে মুকলি কৰিব ৰাজ্য চৰকাৰে। তাৰ মাজতে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিৰ্মাণৰত প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। প্ৰেক্ষাগৃহৰ নিৰ্মাণৰ কাম তন্ন তন্নকৈ পৰীক্ষা কৰি বিভাগীয় বিষয়া-অভিযন্তাক সঠিকভাৱে তদাৰক কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে, গুৱাহাটীৰ বানপানীক লৈ সৃষ্টি হোৱা বিতৰ্কৰ সময়ত মুখ্যমন্ত্ৰীয়ে এই প্ৰেক্ষাগৃহটো নিৰ্মাণৰ আঁৰৰ কথা ৰাজহুৱা কৰিছিল। মুখ্যমন্ত্ৰীয়ে মেঘালয়ৰ ইউএছটিএম নামৰ ব্যক্তিগতখণ্ডৰ শৈক্ষিক প্ৰতিষ্ঠানখনলৈ যোৱাৰ সময়ত ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটো প্ৰত্যক্ষ কৰি নিৰ্মাণৰ সিদ্ধান্ত লোৱা বুলি কৈছিল।

# ঘিলামৰা আৰক্ষী থানাৰ উপ পৰিদৰ্শকৰ প্ৰহাৰত আহত পত্নী



**ই-সংবাদ, লখিমপুৰ, ১৩ ছেপ্টেম্বৰঃ** সৰ্বসাধাৰণ জনতাৰ কথা বাদেই, খোদ আৰক্ষী বিষয়াৰ হাতত সুৰক্ষিত আৰু নিৰাপদ নহ'ল মহিলা। শান্তি আৰু আইন শৃংখলা বৰ্তাই ৰখাৰ গধুৰ দায়িত্ব প্ৰাপ্ত আৰক্ষী বিষয়াৰ হাততে জীৱনৰ চৰম নিৰাপত্তাহীনতাত ভুগিছে তেওঁৰেই অৰ্ধাঙ্গিনী। অসম আৰক্ষীক লজ্জানত কৰা এনে এক নিৰ্লজ ঘটনা সংঘটিত হৈছে ঢকুৱাখনা মহকুমাৰ ঘিলামৰা থানাত । অভিযোগ মতে, প্ৰায় ৪ দিনৰ পূৰ্বে ঘিলামৰা আৰক্ষী থানাত উপ পৰিদৰ্শক হিচাবে যোগদান কৰিছিল সত্যজিৎ বৰাই। লখিমপুৰ জিলা আৰক্ষী অধীক্ষকৰ নিৰ্দেশ মতে উপ পৰিদৰ্শক বৰাই ঘিলামৰা থানাত যোগদান কৰাৰ পাছতে বুধবাৰে কন্যাক লগত লৈ বৰাৰ চৰকাৰী বাসগৃহত উপস্থিত হয় পত্নী। দেওবাৰে পুৱা প্ৰায় ৮ বজাতে স্বামীৰ বাস গৃহত উপস্থিত হৈ স্বামীক নাপাই পত্নী কন্যাই ঘিলামৰা থানাতে বহি স্বামী অহালৈ অপেক্ষা কৰে। পৰৱৰ্তী সময়ত উপ পৰিদৰ্শক বৰা দিনৰ প্ৰায় ১১বজাত থানাত উপস্থিত হয়। থানাত পত্নী কন্যাক দেখিয়ে বৰাই অসভ্য আচৰণ কৰি নাবালিকা কন্যাক এখন ব্যক্তিগত গাড়ীত উঠাই অজ্ঞাত স্থানলৈ লৈ যায়। তাৰপাছত আৰক্ষী বিষয়াজন নিশা প্ৰায় ৯-৪৫ বজাত থানাত উপস্থিত হৈ নিজৰ কোৱাৰ্টাৰলৈ যোৱাত পত্নীও গৈ উপস্থিত হয় স্বামীৰ কোৱাৰ্টাৰত। ইয়াৰ পাছতেই উদ্ভৱ হয় নিৰ্লজ কাণ্ড। পত্নীৰ উপস্থিতিৰ পাছতে উপ পৰিদৰ্শক বৰাই পত্নীক উপৰ্যুপৰি মাৰপিট কৰে। আইনৰ ৰক্ষক আৰক্ষী বিষয়া বৰাৰ নিৰ্মম প্ৰহাৰত মৰণ কাতৰ আৰ্তনাদ কৰে পত্নীয়ে। প্ৰথমে গৃহৰ ভিতৰত আৰু পাছত বাহিৰলৈ উলিয়াই বিষয়া গৰাকীয়ে চলোৱা নিৰ্মম প্ৰহাৰৰ লগতে গালি-গলাজৰ বাবে থানা চৌহদত এক উত্তেজনাময় পৰিস্থিতিৰ উদ্ভৱ হয় । ঘটনাৰ প্ৰত্যক্ষদৰ্শী হয় চৌহদৰ গৰিষ্ঠ সংখ্যক আৰক্ষী পৰিয়াল। এনে সময়তে একাংশ মহিলা আৰু পত্নীৰ আত্মীয়ই থানা চৌহদত উপস্থিত হৈ গুৰুতৰ ভাৱে আহত পত্নীক উদ্ধাৰ কৰি নিয়ে। প্ৰত্যক্ষদৰ্শী মহিলা সকলে আৰক্ষী বিষয়া গৰাকীক এনে কাণ্ডজ্ঞানহীন আচৰণৰ বাবে কটু গালি-গালাজ কৰি প্ৰস্থান কৰে। সম্প্ৰতি প্ৰহৃত মহিলা গৰাকী ঘিলামৰা আৰক্ষী থানাৰ অন্তৰ্গত মাহধুৱা গাঁৱৰ পিতৃ গৃহত আশ্ৰয় লৈ আছে।

## সোণাপুৰতে যদি এনে ঘটনা হয়, বাকীবোৰত কি হ'বঃ মুখ্যমন্ত্ৰী

# কচুতলী পৰিদৰ্শন ডিজিপিৰ, কোনো পক্ষ জড়িত থকাৰ সন্দেহ

**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী সোণাপুৰত আজিও উত্তেজনা অব্যাহত আছে৷ সন্দেহজনক লোকে দখল কৰা ট্ৰাইবেল বেল্টৰ ভূমি উচ্ছেদ কৰিবলৈ যোৱা আৰক্ষী আৰু প্ৰশাসনৰ লোকক আক্ৰমণৰ অভিযোগত আৰক্ষীয়ে গুলী চলাবলগীয়া হোৱাত দুজন লোক নিহত হৈছে৷ দুজন লোক নিহত হোৱাত সমগ্ৰ সোণাপুৰত উত্তেজনা অব্যাহত আছে৷ কালি আৰক্ষীয়ে গুলী চলাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাত দুজন লোক নিহত হোৱা সোণাপুৰৰ কচুতলী পৰিদৰ্শন কৰে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে৷ গুৱাহাটী আৰক্ষীৰ আয়ুক্ত দীগন্ত বৰাক লৈ লগত লৈ কচুতলীৰ উচ্ছেদিত এলেকা পৰিদৰ্শন কৰি সিঙে কালিৰ ঘটনাৰ আঁৰত ষড়যন্ত্ৰৰ গোন্ধ পাইছে৷ শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান চলি থকাত কোনো লোকৰ সংকেটত আৰক্ষীক আক্ৰমণ কৰাৰ সন্দেহ কৰিছে ডিজিপি সিঙে৷ ডিজিপি সিঙে কয় যে সোণাপুৰ ট্ৰাইবেল বেল্টৰ মাটি ১৮৮৬ চনৰ ভূমি সংৰক্ষণ আইনৰ অধীনত আছে৷ ১৯৫০ ট্ৰাইবেল বেল্ট কৰা হৈছে৷ কিছুমান বিশেষ মানুহৰ বাবে এই ভূমি সংৰক্ষণ কৰা হৈছে৷ বৰ্তমান বহি থকা মানুহ আৰু



নতুনকৈ আহি বসবাস কৰিব খোজা মানুহ এই আইনৰ অধীনত নপৰে৷ যাৰ বাবে উপায়ুক্তই ৰাজ্য চৰকাৰক এই কথা অৱগত কৰিছিল৷ অসমৰ ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ সংশোধনি আইনৰ অধীনত উচ্ছেদ কৰা হৈছে৷ ৭ দিন ধৰি সেই লোকসকলক অৱগত কৰা হৈছিল যে আপোনালোকে যত বসবাস কৰি আছে সেয়া বেআইনী হয়৷ আতৰি যাওক৷ তাৰ পাছতে ৯ ছেপ্টেম্বৰত আইন মতে, উচ্ছেদ কৰা হৈছিল৷ ডিজিপি সিঙৰ মতে, যোৱাকালিলৈকে ২৪৮ বিঘা ভূমি দখলমুক্ত কৰা হৈছে৷ ১৫১টা পৰিয়াল আৰু ৩০০ পৰিয়াল উচ্ছেদ কৰা হৈছে৷ উচ্ছেদ শান্তিপূৰ্ণ আছিল৷ যোৱাকালি হঠাত এটা গোটে হঠাতে আৰক্ষীক টাৰ্গেট কৰি লয়৷ দা, যাঠি আদি লৈ আক্ৰমণ কৰে৷ শিল নিক্ষেপ কৰা হয়৷ সেই সময়ত ২২-২৩ জন আৰক্ষী বিষয়া আহত হৈছে৷ বহু কেইজন স্থানীয় লোকো আহত হৈছিল যদিও তাৰে দুজন লোক নিহত হয়৷ চাৰিদিন শান্তিপূৰ্ণভাৱে উচ্ছেদ চলি থকাৰ পাছত কালি উত্তেজিত হৈছে মানুহ৷ ইয়াৰ অন্তৰালত কোনোবা আছে৷ তাক লৈ তদন্ত কৰা হ'ব৷ মই ভাবিছো যে কোনোবাই এয়া ষড়যন্ত্ৰ কৰিছে৷ সেই সময়ত ৰেলৱেৰ সম্পত্তি ব্যৱহাৰ কৰা হৈছিল৷ যাৰ বাবে এটা গোচৰ ৰুজু কৰা হৈছে৷ তদন্ত কৰা হ'ব৷ ডিজিপি জি.পি সিঙৰ পৰিদৰ্শনৰ পূৰ্বে আৰক্ষীক আক্ৰমণৰ সন্দেহত ৬গৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে সোণাপুৰ আৰক্ষীয়ে৷ মহিৰ আলী, আইনাল হক, খবৰ আলী, আলামিন আলী, ছাদেকুল ইছলাম, মইনিদ্দুন আলীক গ্ৰেপ্তাৰ কৰা হয়৷ ইপিনে ঘটনাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ শৰ্মাই কয় যে সোণাপুৰৰ কচুতলীতে যদি এনেকুৱা ঘটনা হয় বাকীবোৰত কি হ'ব? আনহাতে, ইউডিএফ প্ৰধান বদৰুদ্দিন আজমলে ঘটনাক নিন্দা কৰিছে৷ আজমলে কয় যে সোণাপুৰৰ উচ্ছেদ অমানৱীয়৷ নিৰ্বাচন আহি আছে বাবে উচ্ছেদ চলাইছে চৰকাৰে৷ আনহাতে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে সোণাপুৰৰ কচুতলীৰ উচ্ছেদৰ সময়ত দুজন লোকক গুলীয়াই হত্যা কৰা ঘটনাক নিন্দা কৰিছে৷

# চিবিআইৰ হাতলৈ ট্ৰেডিং কেলেংকাৰীৰ তদন্ত

**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** শুকুৰবাৰে অসম চৰকাৰৰ কেবিনেট বৈঠকত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শেহতীয়াকৈ ৰাজ্য তথা দেশ জোকাঁৰি যোৱা বিয়াগোম ট্ৰেডিং কেলেংকাৰীৰ তদন্তৰ গোচৰ চি বি আইক অৰ্পন কৰাৰ সিদ্ধান্ত লোৱা হয় এইবাৰৰ কেবিনেটত। ইতিমধ্যে অসম চৰকাৰৰ গৃহ বিভাগে অনলাইন ট্ৰেডিঙৰ নামত সংঘটিত হোৱা কেলেংকাৰীৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰায় ৩২টা কেলেংকাৰীৰ তদন্ত অসম চৰকাৰে চি বি আইক অৰ্পন কৰাৰ যোজা কৰিছে। ইতিমধ্যে ৰাজ্যৰ মুখ্য সচিবে চি বি আইৰ সৈতে যোগাযোগ কৰাৰ লগতে প্ৰাৰম্ভিক সকলোখিনি কথা-বতৰা সম্পন্ন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেবিনেট বৈঠকৰ পাছত এখন সংবাদমেল সম্বোধন কৰি এই সিদ্ধান্তৰ কথা ৰাজহুৱা কৰে। এতিয়ালৈকে অসমত ট্ৰেডিঙৰ নামত সংঘটিত সকলোখিনি কেলেংকাৰীৰ তদন্ত চি বি আইক অৰ্পন কৰি এই অপৰাধ সম্পূৰ্ণভাৱে নিৰ্মূল কৰাৰ বাবে এই সিদ্ধান্ত লোৱাৰ কথা সদৰি কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। চি বি আইক অৰ্পন নকৰা পৰ্যন্ত এই সমগ্ৰ তদন্তটো অসম আৰক্ষীয়ে চলাই নিব বুলিও কয় ড০ শৰ্মাই। ট্ৰেডিং কেলেংকাৰীৰ উপৰিও আজিৰ কেবিনেটত আন বহুকেইটা সিদ্ধান্ত গ্ৰহণ কৰা হয়। সমগ্ৰ ৰাজ্যত সমষ্টিভিত্তিক অৰুণোদয় হিতাধিকাৰী বৃদ্ধিৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব অসম চৰকাৰে। অহা ১৯ছেপ্টেম্বৰৰ পৰা অসমৰ ১২৬টা সমষ্টিত অনুষ্ঠিত হব সভা।



কামৰূপৰ জিলা আয়ুক্ত কীৰ্তি জ্বল্লীক বিদায়ী সম্বৰ্ধনা জিলাখনৰ অৰ্ধ শতাধিক সাংবাদিকৰ

# সাহিত্যাচাৰ্য উপেন্দ্ৰনাথ শৰ্মা নাই

**ই-সংবাদ, ১৩ছেপ্তেম্বৰঃ** ভাষা-সাহিত্যৰ বৰেণ্য পণ্ডিত, কটন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক উপেন্দ্ৰনাথ শৰ্মাৰ দেহাৱসান। বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয় সাহিত্যিক গৰাকীৰ। কিছু দিন পূৰ্বে সংকটজনক অৱস্থাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ আই চি ইউত ভৰ্তি কৰা হৈছিল শৰ্মাক। আজি খন্তেক সময় পূৰ্বে ৯৪ বছৰ বয়সত ইহসংসাৰ ত্যাগ কৰে শৰ্মাই। উল্লেখ্য যে প্ৰসিদ্ধ সাহিত্যিক সমালোচকগৰাকীৰ মৃত্যুত গুণমুগ্ধসকলৰ লগতে দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

## বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ বিস্ফোৰক অভিযোগ

# অসমৰ মুখ্যমন্ত্ৰীয়ে সত্য কথা নকয়, সংবিধান অনুসৰি কাম নকৰে

**গুৱাহাটী, ১৩ ছেপ্টেম্বৰঃ** সোণাপুৰৰ কচুতলিৰ উচ্ছেদ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ প্ৰত্যুত্তৰ দিছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। এক সংবাদমেলযোগে মুখ্যমন্ত্ৰীয়ে এনে মন্তব্য কৰাৰ ভিত্তি কি সেয়া জানিব খোজে শইকীয়াই। লগতে শইকীয়াই কয় যে যিহেতু সংবাদমাধ্যমে সেইখিনি লোকক সন্দেহজনক বুলি কৈছে সেয়েহে তেনে লোকক কংগ্ৰেছ দল আৰু দেৱব্ৰত শইকীয়াই কেতিয়াও সহায় কৰা নাই বুলি কয়। মুখ্যমন্ত্ৰীয়ে দাবী কৰা সকলো অভিযোগ মিছা বুলি দাবী কৰে বিৰোধী দলপতি শইকীয়াই। বিৰোধী দলপতি শইকীয়াই কয়, "২৯ আগষ্টত আৰটিআইযোগে দিয়া তথ্য অনুসৰি সোণাপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই উক্ত অঞ্চলৰ চৰকাৰী ভূমি, গ্ৰেজিং,



ভিজিআৰ, পিজিআৰ বা আন ভূমিতো কোনো ধৰণৰ বেদখল হোৱা নাই বুলি জনাইছিল। কাৰোবাক উচ্ছেদ কৰা হৈছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰতো তেনে কৰিবলৈ তাত কোনো বেদখল নাই বুলি উল্লেখ কৰিছিল বিষয়াগৰাকীয়ে। সেয়ে চৰকাৰী বিষয়াই ২৯ আগষ্টত দিয়া তথ্য কেনেকৈ হঠাৎ সলনি হৈ পৰিল নে চৰকাৰৰ বিভাগসমূহৰ মাজত কোনো সমন্বয় নাই নে আৰটিআইৰ প্ৰশ্নৰ উত্তৰত তথ্য ভুলকৈ দিয়া হৈছিল বুলিহে মই মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰিছিলো।" শইকীয়াই লগতে কয় যে অসম আৰক্ষীয়ে কেতবোৰ ব্যক্তিক আগতীয়াকৈ জাননী নিদিয়াকৈ উচ্ছেদ কৰিবলৈ গৈ গুলীয়াই হত্যা কৰিলে। ই অতি দুৰ্ভাগ্যজনক আৰু মুখ্যমন্ত্ৰী মহোদয়ে এনে হত্যাক সমৰ্থন কৰাটো অতি দুৰ্ভাগ্যজনক। উচ্ছেদৰ পূৰ্বে উচ্চতম ন্যায়ালয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায় অনুসৰি আগতীয়াকৈ জাননী দিব লাগে। কিন্তু মুখ্যমন্ত্ৰীয়ে কৈ আছে যে চৰকাৰী মাটিৰ পৰা উচ্ছেদ কৰিবৰ সময়ত কোনো ধৰণৰ জাননী দিয়াৰ প্ৰয়োজন নাই। যিটো সত্যৰ অপলাপ, মুখ্যমন্ত্ৰীয়ে মিছা কথা কৈ এক শ্ৰেণীৰ মানুহৰ মাজত ভয়, ভাবুকি, প্ৰলোভন আদিৰ এজেণ্ডা চলাব খুজিছে নেকি সেয়া মই নাজানো বুলিও মন্তব্য কৰে শইকীয়াই। মুখ্যমন্ত্ৰীয়ে সত্য কথা কোৱা নাই আৰু সংবিধান অনুসৰি কাম কৰা নাই বুলিও বিৰোধী দলপতিয়ে অভিযোগ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

শেষ পৃষ্ঠা

**ন্যায়াধীশ উজ্জ্বল ভূঞাঁ**

# সঁজাত বন্দী ভাটৌ নহয়, মুক্ত বিহংগ হওঁক CBI!

**ই-সংবাদ, ১৩ ছেপ্টেম্বৰঃ** কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চমুকৈ চি বি আইক আজি তীক্ষ্ণ সমালোচনাৰ সন্মুখীন হ'ল উচ্চতম ন্যায়ালয়ৰ মজিয়াত। যোৱা ৫ ছেপ্টেম্বৰত শুনানি সমাপ্ত হোৱা অৰবিন্দ কেজৰিৱালৰ জামিনৰ ৰায় আজি ঘোষণা কৰি চি বি আইক তীব্ৰ কটাক্ষ কৰিলে উচ্চতম ন্যায়ালয়ে। ন্যায়াধীশ উজ্জল ভূঞাই এই ৰায় ঘোষণা কৰাৰ সময়তে চি বি আইক সোঁৱৰাই দিলে ১১ বছৰ পূৰ্বে ন্যায়ালয়ত কিদৰে সমালোচনাৰ সন্মুখীন হৈছিল চি বি আই। তেওঁ কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোক সঁজাত বন্দী ভাটৌৰ পৰিৱৰ্তে মুক্ত বিহংগ হ'বলৈ পৰামৰ্শ দিছে। ন্যায়াধীশ উজ্জল ভূঞাৰ এনে তীক্ষ্ণ আৰু চোকা সমালোচনা এতিয়া দেশজুৰি চৰ্চাৰ বিষয়। চি বি আইৰ বিৰুদ্ধে পক্ষপাত তথা ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত কাম-কাজৰ অভিযোগ নতুন কথা নহয়। সেই অভিযোগক নতুন মাত্ৰা প্ৰদান কৰিলে উচ্চতম ন্যায়ালয়ৰ আজিৰ ভাষ্যই। অৰবিন্দ কেজৰিৱালক চৰ্ত সাপেক্ষে ২০ লাখ টকাৰ বণ্ড জামিন প্ৰদান কৰি ন্যায়াধীশ উজ্জল ভূঞাই চি বি আইক সমালোচনা কৰি কয়, চি বি আইয়ে স্বচ্ছতাৰে তদন্ত কৰা নাই। সাধাৰণ জনতাৰ মনত ধাৰণা হৈছে চি বি আই সঁজাত বন্দী ভাটৌ। সেই ধাৰণা সলনি কৰি চি বি আইয়ে মুক্ত হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰা উচিত। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশগৰাকীয়ে পুনৰ কয়, চি বি আই দেশৰ শীৰ্ষ তদন্তাকাৰী সংস্থা। চি বি আই কেৱল মাত্ৰ নিৰপেক্ষ হ'লেই নহ'ব, সেয়া বুজাবও পাৰিব লাগিব। কেজৰিৱালৰ গ্ৰেপ্তাৰ যে অনৈতিক নহয় তাক বুজাবলৈ সকলো প্ৰচেষ্টা কৰা উচিত। আইনৰ শাসনৰ ধাৰণা ভীষণ গুৰুত্বপূৰ্ণ।

# প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ বাবে সাজু কোকৰাঝাৰত ১০১টা পৰীক্ষা কেন্দ্ৰ

**কোকৰাঝাৰ, ১৩ ছেপ্টেম্বৰঃ** ষ্টেট লেভেল ৰিক্ৰুইটমেণ্ট কমিচন অৰ্থাৎ অসম ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ তৰফৰ পৰা অহা ১৫ ছেপ্টেম্বৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰীক্ষাকেন্দ্ৰত তৃতীয়বৰ্গৰ নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা চমুকৈ এডিআৰইৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ জিলা প্ৰশাসন সাজু হৈ উঠিছে। কোকৰাঝাৰ জিলাত পৰীক্ষা সুকলমে আৰু শান্তিপূৰ্ণভাৱে সমাপন কৰাৰ বাবে প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে । কোকৰাঝাৰ জিলাত সৰ্বমুঠ ১০১ টা পৰীক্ষাকেন্দ্ৰ আছে আৰু ৬৯৮৩৯ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অবতীৰ্ণ হ'ব । পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে আইন-শৃংখলাকে ধৰি অন্যান্য গুৰুত্বপূৰ্ণ দিশসমূহ চালি-জাৰি চাইছে আৰু এই সন্দৰ্ভত জিলা দণ্ডাধীশ প্ৰদীপ কুমাৰ দ্বিবেদীয়ে সমগ্ৰ জিলাত প্ৰযোজ্য হোৱাকৈ ১৬৩ বিএনএছএছৰ অধীনত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে । সেইমৰ্মে পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যৱধানত পৰীক্ষাৰ্থী , পৰীক্ষা নিয়ন্ত্ৰয়কৰ দায়িত্বত থকা বিষয়া , আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ লোকৰ বাহিৰে আন কোনেও জমা হ'ব নোবাৰিব বা আহিব নোৱাৰিব । তদুপৰি পৰীক্ষাকেন্দ্ৰৰ ১০০ মিটাৰ ব্যৱধানত কোনোধৰণৰ চাউণ্ড চিষ্টেম বজাব নোৱাৰিব । তদুপৰি পৰীক্ষা কেন্দ্ৰলৈ পৰীক্ষাৰ্থীয়ে মোবাইল ফোন , ইলেকট্ৰনিক সামগ্ৰী যেনে স্মাৰ্ট ৱাটচ, ব্লুটুথ ডিভাইচ , ইয়েৰফোন , ইলেকট্ৰনিক পেন, স্কেনাৰ বা আন যিকোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী অন বা অফ অৱস্থাত পৰীক্ষাকেন্দ্ৰলৈ নিব নোৱাৰিব। তদুপৰি কেলকুলেটৰ , পেন ড্ৰাইভ , কাগজৰ টুকুৰা , যিকোনো ধৰণৰ ছপা বা লিখিত পাঠ্য সামগ্ৰী বা অনৈতিক অভিপ্ৰায়ৰ বাবে ব্যৱহাৰ কৰিব পৰা যিকোনো সামগ্ৰী পৰীক্ষাৰ্থীয়ে লগত নিব নোৱাৰিব । এই নিৰ্দেশ অমান্য কৰোতাৰ বিৰুদ্ধে The Assam Public Examination (Measures for prevention of unfair means in recruitment) Act. 2024ৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব । পৰীক্ষাত



অনৈতিক পন্থা অৱলম্বন কৰোতাৰ বিৰুদ্ধে বিএনএচৰ ২২৩ নং ধাৰাৰ দফা ১০(১)মৰ্মে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা দণ্ডাধীশে সদৰি কৰিছে । উল্লেখ্য যে কোকৰাঝাৰ জিলাত কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয় আৰু ইউএন একাডেমী পৰীক্ষা কেন্দ্ৰত সৰ্বাধিক ২৫০৬ গৰাকীকে পৰীক্ষাৰ্থীয়ে অবতীৰ্ণ হ'ব আৰু ৰয়নাৰডাব্ৰী পৰীক্ষা কেন্দ্ৰত মাত্ৰ ১৯৯ গৰাকী পৰীক্ষাৰ্থীয়ে অবতীৰ্ণ হ'ব । ইফালে পৰীক্ষাসমূহ যাতে সুচাৰুৰূপে সম্পন্ন হয় তাৰ বাবে জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে ৯১ নং পৰীক্ষাকেন্দ্ৰৰ পৰা ১০১ নং পৰীক্ষা কেন্দ্ৰলৈ অৰ্থাৎ ১১ টা পৰীক্ষাকেন্দ্ৰ পৰিদৰ্শন কৰিব ।ঠিক সেইদৰে জিলাৰ অতিৰিক্ত উপায়ুক্তসকল , মহকুমাধিপতিসকল আৰু চক্ৰ বিষয়াসকলে কমেও ৩ টাৰ পৰা ১০ টাকৈ পৰীক্ষাকেন্দ্ৰ পৰিদৰ্শন কৰিব লাগিব । কোকৰাঝাৰ জিলাত পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে সম্ভৱপৰ সকলো ব্যৱস্থাই গ্ৰহণ কৰিছে যদিও দুৰ-দুৰণিৰ পৰা আহিবলগীয়া পৰীক্ষাৰ্থীসকলৰ থকা-মেলাৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হোৱাৰ সম্ভাৱনাই দেখা দিছে। উক্ত দিনাখন যান বাহন চলাচলৰ ক্ষেত্ৰত কিছু বাধ্যবাধকতা নাথাকিলে প্ৰচুৰ যান-জঁট হোৱাৰ সম্ভাৱনাও প্ৰকাশ পাইছে ।






newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান